# REGIONAL NEWS UNIT

## AKASHVANI : GUWAHATI

0000000000

**Date :** 30-03-2025

**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ যোগেদি কেইদিনমানৰ পাছতেই ভাৰতৰ কেইবাখনো ৰাজ্যত আৰম্ভ হ'বলগীয়া নৱবৰ্ষৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। দেশ-বিদেশৰ শ্ৰোতাৰ আগত মনৰ ভাৱ ব্যক্ত কৰি শ্ৰীমোদীয়ে কয় যে দেশৰ বিভিন্ন ৰাজ্যত বিশেষকৈ কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাত উগাডী উৎসৱ পালন কৰা হৈছে। আজি মহাৰাষ্ট্ৰত পালন কৰা গুড়ী পৰোৱা উৎসৱৰ কথা উল্লেখ কৰি তেওঁ কয়, যে  বিচিত্ৰতাৰে ভৰা আমাৰ দেশত কেইদিনমানৰ পাছতে অসমত ৰঙালী বিহু, পশ্চিমবংগত পহিলা বৈশাখ আৰু কাশ্মীৰত নৱৰেহ উৎসৱ পালন কৰা হ'ব। কাইলৈ পালন হ'বলগীয়া ঈদ উৎসৱৰ বিষয়ে উল্লেখ কৰি তেওঁ এই উৎসৱসমূহৰ বাবে সকলোকে শুভেচ্ছা জ্ঞাপন কৰে।

মন কী বাত অনুষ্ঠানত ছাত্ৰ ছাত্ৰীসকলৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলে শিকিবৰ বাবে বৰ্তমান বহু নতুন নতুন উপায় ওলাইছে। কোনোবাই প্ৰযুক্তি শিবিৰৰ আয়োজন কৰিছে য'ত ছাত্ৰ-ছাত্ৰীয়ে এপ বনাবলৈ শিকাৰ লগতে অ'পেন চোৰ্চ ছফটৱেৰ সম্পৰ্কেও জানিব পাৰিব। সেইদৰে গৰম  বন্ধৰ সসময়ছোৱাত পৰিবেশ, নাটক, নেতৃত্ব আদি বিভিন্ন বিষয়ৰ প্ৰশিক্ষণৰো আয়োজন কৰা হয়। কোনো সংগঠন, বিদ্যালয় বা সামাজিক সংস্থাই যদি এনে কাৰ্যৰ আয়োজন কৰিছে তেনেহলে সেই কথা #myholidays ৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে অনুৰোধ জনাইছে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে বৰষুণৰ পানী সংৰক্ষণ কৰাৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয় যে জলশক্তি মন্ত্ৰালয়ৰ লগতে বিভিন্ন সংগঠনে পানী সংৰক্ষণৰ বাবে কাম কৰিবলৈ প্ৰস্তুতি চলাইছে। দেশত হাজাৰ হাজাৰ কৃত্ৰিম পুখুৰী, চেক দেম, বৰৱেল ৰিচাৰ্জ আৰু কমিউনিটি চকপিত নিৰ্মাণ কৰা হৈছে। এইবছৰো পানী সংৰক্ষণৰ বাবে Catch the rain অভিযানৰ প্ৰস্তুতিৰ  বিষয়ে প্ৰকাশ কৰি তেওঁ কয় যে এই অভিযান চৰকাৰৰ নহয়, বৰং ৰাইজৰহে। জল সংৰক্ষণ কাৰ্যত অধিক লোকক জড়িত কৰাবৰ বাবে **জল সঞ্চয়, জন সহযোগ** অভিযানো চলোৱা হৈছে।

০০০

ওড়িশাৰ কটক জিলাৰ নিৰগুন্দি ৰে'লৱে ষ্টেচনৰ সমীপত আজি বেংগালুৰু-গুৱাহাটী কামাখ্যা ছুপাৰ ফাষ্ট এক্সপ্ৰেছ দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাৰ ফলত ৰে'লখনৰ ১১টা দবা লাইনচ্যুত হৈ এজন লোক নিহত হোৱাৰ লগতে কমেও সাতজন লোক আহত হৈছে। আহত যাত্ৰীসকলক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইতিমধ্যে ঘটনাস্থলীত ৰে'ল বিভাগৰ শীৰ্ষ বিষয়া উপস্থিত হোৱাৰ লগতে উদ্ধাৰ অভিযান পূৰ্ণগতিত চলি আছে। গুৱাহাটী অভিমুখী ৰে'লখন দুৰ্ঘটনাত পতিত হোৱাৰ খবৰ পোৱাৰ পাছতে অসম চৰকাৰে তৎপৰতাৰে বন্দৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে ওড়িশা চৰকাৰ আৰু ৰে'ল বিভাগৰ সৈতে নিৰন্তৰ যোগাযোগ অব্যাহত ৰাখিছে।

দুৰ্ঘটনাগ্ৰস্ত  ৰে'লখনত থকা অসমৰ যাত্ৰীসকলক সুকলমে ওভতাই অনাৰ বাবে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। আনহাতে, উত্তৰ-পূব সীমান্ত ৰে'লৱেই কেইবাটাও হেল্পলাইন নম্বৰ মুকলি কৰিছে।

০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁৱৰ কামপুৰত কপিলী নৈৰ ওপৰত নিৰ্মাণ কৰা দলঙৰ শুভ উদ্বোধন কৰে। ২৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা দলংখন উন্মোচন কৰাৰ লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কামপুৰ ৰে'লৱে উৰণ সেতুও মুকলি কৰে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে নগাঁও জিলাৰ পুৰণিগুডামৰ ঐতিহ্যমণ্ডিত বাপুজী ভৱনৰ নৱনিৰ্মিত ভৱনৰ দ্বাৰ মুকলি কৰে। এই অনুষ্ঠানটোৰ আন্তঃগাঁথনি উন্নয়নৰ অৱশিষ্ট কাম সম্পূৰ্ণ কৰিবলৈ ৰাজ্য চৰকাৰে ১ কোটি টকা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে নগাঁও ভ্ৰমণৰ সময়ছোৱাত আন কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কামপুৰৰ ক্ৰীড়া সন্থালৈ ১০ কোটি টকা অনুদান আগবঢ়ায়।

০০০

ৰমজান মাহজোৰাৰ ৰোজাৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে কাইলৈ ঈদ-উল-ফিটৰ উদযাপনৰ বাবে সাজু হৈছে। ঈদ-উল-ফিটৰ উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক উচাহ দেখিবলৈ পোৱা গৈছে। ঈদৰ প্ৰাক্‌মুহূৰ্তত ৰাজ্যৰ বজাৰত বিভিন্ন সামগ্ৰীৰে উভৈনদী হৈ পৰা পৰিলক্ষিত হৈছে। একেদৰে ঈদৰ নামাজৰ বাবে ঈদগাহ আৰু মছজিদসমূহ সজাই-পৰাই তোলা হৈছে। শিৱসাগৰ নগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ঈদগাহসমূহৰ লগতে জুম্মা মছজিদ সজাই-পৰাই তোলা হৈছে।

০০০

অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত শিশু আৰু কিশোৰ-কিশোৰী আলোচনী মুকুতাৰ উদ্যোগত আজি শিশুৰ আবৃত্তি কৰ্মশালা অনুষ্ঠিত হয়। পৰিষদৰ সভাগৃহত অনুষ্ঠিত কুঁহিপাত পদ্য আবৃত্তি শীৰ্ষক কৰ্মশালাখন প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ তথা অভিধান প্ৰণেতা সুমন্ত চলিহাই উদ্বোধন কৰে। কৰ্মশালাখনত বিশিষ্ট আবৃত্তিকাৰ, ঘোষক অৱনী বৰাই সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে।

০০০

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত কেইঘণ্টামান বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। গোৱালপাৰা আৰু কামৰূপৰ ৩৩টা পৰিষদীয় সমষ্টিত অহা ২ এপ্ৰিলত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে বিজেপি, মিত্ৰদল অসম গণ পৰিষদ আৰু ৰাভা হাচং যৌথ সংগ্ৰাম সমিতিয়ে আজিও ব্যাপক প্ৰচাৰ চলায়। ইয়াৰ  লগতে কংগ্ৰেছ দল আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলেও প্ৰচাৰ তীব্ৰতৰ কৰি তোলে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে আজি কামৰূপ জিলাত প্ৰচাৰ চলায়। মন্ত্ৰীগৰাকীয়ে বামুনীগাওঁ পৰিষদীয় সমষ্টিৰ মিত্ৰজোটৰ প্ৰাৰ্থী অজিত ৰাভাৰ হৈ প্ৰচাৰ চলায়।

গোৱালপাৰা জিলাত বিজেপি সমৰ্থিত ৰাভা হাচং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী দিবাকৰ ৰাভাই আজি কেইবাখনো প্ৰচাৰ সভাৰ আয়োজন কৰে। একেদৰে দদান পৰিষদীয় সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী হেমকান্ত ৰাভাই আজি সমষ্টিটোত মটৰ চাইকেল সমদল উলিয়াই ভোটদাতাক আকৰ্ষণ কৰাৰ চেষ্টা চলায়।

গোৱালপাৰা জিলাত ১৯টা আৰু কামৰূপ জিলাত ১৪টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। সমষ্টিকেইটাত বিৰোধী কংগ্ৰেছকে ধৰি বিভিন্ন দল আৰু নিৰ্দলীয় প্ৰাৰ্থী সকলেও প্ৰচাৰ অব্যাহত ৰাখিছে।

উল্লেখযোগ্য যে পৰিষদৰ ৪০ খন আসনৰ ভিতৰত ৪ খনৰ বাবে সদস্য মনোনীত কৰা হয়। তিনিখনত এন ডি এৰ প্ৰাৰ্থী তিনিগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। ৩৩ খন আসনৰ বাবে ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। সমষ্টিকেইটাত ৪ লাখ ৪৫ হাজাৰ ৫৮৬ গৰাকী ভোটদাতা আছে আৰু ইয়াৰে ২ লাখ ২৯ হাজাৰ ৩৯৪ গৰাকী মহিলা ভোটদাতা। ৪ এপ্ৰিলত নিৰ্বাচনত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুৱাহাটী বৰ্ষাপাৰা ষ্টেডিয়ামত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই চুপাৰ কিংছৰ মুখামুখি হ'ব। সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া খেলখনৰ সমুদায় টিকট ইতিমধ্যে বিক্ৰী হৈছে। ৰিয়ান পৰাগ নেতৃত্বাধীন ৰাজস্থান ৰয়েলছে প্ৰথম দুয়োখন খেলত পৰাস্ত হোৱাৰ ফলত আজিৰ খেলখন গুৰুত্বপূৰ্ণ ৰূপে চিহ্নিত হৈছে। ০

০০০

সমাপ্ত